**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 02-05-2025 **Time :** 0900Hrs.

# Assamese Morning Bulletin
## Headlines
-----------

১। পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত আজি ১৪ খন জিলাত ভোটগ্ৰহণ।

২। উত্তৰ-পূৰ্বাঞ্চলৰ পৰা সন্ত্ৰাসবাদ নিৰ্মূল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ বুলি নতুন দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহৰ মন্তব্য।

৩। জাহ্নু বৰুৱাৰ অংশগ্ৰহণেৰে প্ৰথম বিশ্ব দৃশ্য-শ্ৰাব্য মনোৰঞ্জন সন্মিলনত 'উত্তৰ-পূব ভাৰতত চিনেমাৰ প্ৰত্যাহ্বান আৰু সম্ভাৱনা' শীৰ্ষক আলোচনাচক্ৰ।

৪। দুলীয়াজানৰ নগাজান তৈলক্ষেত্ৰত অইল ইণ্ডিয়া লিমিটেডৰ ৩০৯ নম্বৰ খাদত গেছ নিৰ্গমন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে মুম্বাই ইণ্ডিয়ানছৰ ১০০ ৰানত জয়ঋ

০০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত আজি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাত আজি চাৰে ৭ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ বিয়লি চাৰে ৪ বজাত সামৰণি পৰিব। ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী এই ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ সংখ্যা ৮৯ লাখ ৬০ হাজাৰ ৫৭৭। এই জিলাকেইখনত ২১৬ টা জিলা পৰিষদ, এহেজাৰ ১৩৯ টা আঞ্চলিক পঞ্চায়ত আৰু ১১ হাজাৰ ৩৯০ টা গাঁও পঞ্চায়তৰ ৱাৰ্ড আছে।

**মাজুলীত** ১৯১ টা কেন্দ্ৰত ২০ খন পঞ্চায়তৰ ২০০ টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। জিলাখনত এইবাৰ মুঠ ভোটদাতাৰ সংখ্যা ১ লাখ ৪২ হাজাৰ ৪২৪। **তিনিচুকীয়া** জিলাত এহেজাৰ ৭৮ টা ভোটগ্ৰহণ কেন্দ্ৰত ৮ লাখ ৩১ হাজাৰ ভোটদাতাই ভোটদান কৰিব।

**শোণিতপুৰ** জিলাত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত সৰ্বমুঠ ৬৮ টা ভোটগ্ৰহণ কেন্দ্ৰত মহিলা ভোটগ্ৰহণকাৰী বিষয়া নিয়োগ কৰা হৈছে। ঢেকিয়াজুলি বিধানসভা সমষ্টিত ৮টা, বৰছলাত ৯টা, তেজপুৰত ৪১ টা আৰু ৰঙাপৰাত ১০ টা কেন্দ্ৰত মহিলা ভোটগ্ৰহণকাৰী বিষয়া নিয়োগ কৰা হৈছে।

**হাইলাকান্দি** জিলাত ১৭০ টা ভোটগ্ৰহণ কেন্দ্ৰ স্পৰ্শকাতৰ বুলি গণ্য কৰা হৈছে। জিলাখনত সৰ্বমুঠ ৬৮৯ টা কেন্দ্ৰত ৪ লাখ ৪৯ হাজাৰ ১৮৮ গৰাকী ভোটদাতাই ভোটদান কৰিব।

**গোলাঘাট** জিলাত প্ৰথম পৰ্যায়ত পাঁচটা বিধানসভা সমষ্টিৰ ২০খন জিলা পৰিষদ, ১০৮খন আঞ্চলিক পঞ্চায়ত আৰু এহেজাৰ ৮০টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ আৰম্ভ হৈছে। জিলাখনত স্থাপন কৰা এহেজাৰ ১৬৪টা কেন্দ্ৰত ৭ লাখ ৮৯ হাজাৰ ১২৫ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে ২২৮টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত হৈছে।

**শিৱসাগৰ** জিলাত বেতবাৰী আঞ্চলিক পঞ্চায়তৰ কংগ্ৰেছৰ দলৰ প্ৰাৰ্থী অচ্যুতানন্দ গগৈৰ আকস্মিক মৃত্যুৰ পৰিপ্ৰেক্ষিতত বেতবাৰী আঞ্চলিক পঞ্চায়ত নিৰ্বাচন স্থগিত ৰখা হৈছে। ফলস্বৰূপে আজি জিলাখনৰ চাৰিখন আঞ্চলিক পঞ্চায়ত, ১২খন জিলা পৰিষদ, ৮২খন গাঁও পঞ্চায়ত আৰু ৮২০টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। ৮৫৮টা কেন্দ্ৰত এই ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। জিলাখনত দুহেজাৰ ২৯১গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছে। ইয়াৰে ২১৬ গৰাকী আঞ্চলিক পঞ্চায়ত, ৩৭ গৰাকী জিলা পৰিষদ আৰু এহেজাৰ ৩৮ গৰাকী গাঁও পঞ্চায়ত সদস্যপদৰ প্ৰাৰ্থী। জিলাখনত ৫ লাখ এহেজাৰ ১৫১ গৰাকী ভোটদাতা আছে। জিলাখনৰ পৰা ভোটগ্ৰহণৰ শেহতীয়া তথ্যৰ সৈতে এয়া আমাৰ সংবাদদাতা মুজাহিদ আলী –

-বাইট-

চৰাইদেউ জিলাৰ **সোণাৰী** বিধানসভা সমষ্টিৰ অসম-অৰুণাচল আৰু অসম-নাগালেণ্ড সীমান্তৱৰ্তী স্পৰ্শকাতৰ অঞ্চলসমূহত নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে।

**ডিব্ৰুগড়** জিলাত ৮ লাখ ৭১ হাজাৰ ৯৭৫ গৰাকী ভোটদাতাই পঞ্চায়ত নিৰ্বাচনত ভোটৰ অধিকাৰ সাব্যস্ত কৰিব।

**ধেমাজি** জিলাতো আজি ৫ লাখ ১০ হাজাৰ ৫৩৭ গৰাকী ভোটদাতাই ৭২৭টা ভোটগ্ৰহণ কেন্দ্ৰত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব। জিলাখনত এহেজাৰ ৮০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

**বিশ্বনাথ** জিলাৰ ৭৪৭টা ভোটকেন্দ্ৰত ৪ লাখ ৭৪ হাজাৰ ৯২৭ গৰাকী ভোটদাতাই এহেজাৰ ৩১২ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব।

ইপিনে, দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন হ'বলগীয়া জিলাসমূহত জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰখাৰ লগতে ৰাজনৈতিক দলসমূহেও প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। শাসকীয় বিজেপি আৰু অসম গণ পৰিষদৰ লগতে কংগ্ৰেছ তথা আন ৰাজনৈতিক দলসমূহেও প্ৰচাৰ চলাই আছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি হাজো-শুৱালকুছি বিধানসভা সমষ্টিত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। ডঃ শৰ্মাই শুৱালকুছিৰ বালিচৰ আৰু বংশৰ চ'কত শুৱালকুছি জিলা পৰিষদৰ এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ধীৰাজ মহন্ত আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যপদৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰত ভাগ ল'ব। কালি ধিঙত নিৰ্বাচনী প্ৰচাৰ চলাই ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে বিজেপি আৰু এ আই ইউ ডি এফক তীব্ৰ সমালোচনা কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীশ্বাহে কৈছে যে কেন্দ্ৰীয় চৰকাৰ দেশৰ প্ৰতিটো কোণৰ পৰা সন্ত্ৰাসবাদ নিৰ্মূল কৰিবলৈ বদ্ধপৰিকৰ। বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে অসম চৰকাৰৰ উদ্যোগত কালি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত বড়োফাৰ প্ৰতিমূৰ্তি উন্মোচন কৰি শ্ৰীশ্বাহে এইদৰে প্ৰকাশ কৰে। গৃহমন্ত্ৰীয়ে তেওঁৰ ভাষণত কয় যে অসমৰ লগতে উত্তৰ-পূব উগ্ৰপন্থী কাৰ্যকলাপৰ পৰা সম্পূৰ্ণ মুক্ত হৈ উন্নয়নৰ পথত অগ্ৰসৰ হৈছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰি আহিছে। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম কেৱল বড়ো জনগোষ্ঠীৰ বাবে পিতৃস্বৰূপ নহয়, বৰং সমগ্ৰ দেশৰ জনগোষ্ঠীয় সমাজৰ বাবে আদৰ্শ বুলি তেওঁ মন্তব্য কৰে। পেহেলগাম সন্ত্ৰাসবাদীৰ আক্ৰমণ সন্দৰ্ভত প্ৰথমবাৰৰ বাবে ৰাজহুৱা বক্তব্য আগবঢ়াই শ্ৰীশ্বাহে কয় যে দেশে সন্ত্ৰাসবাদক সমুচিত প্ৰত্যুত্তৰ দিব। তেওঁ কয় যে অকল ১৪০ কোটি ভাৰতীয়ই নহয়, বৰং সমগ্ৰ বিশ্ব ভাৰতৰ লগত থিয় হৈছে।

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই বিশেষ অতিথি হিচাপে ভাগ লয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড০ শৰ্মাই বড়োফাই বড়ো জনগোষ্ঠীৰ উত্তৰণৰ বাবে আগবঢ়োৱা অৱদান আৰু ত্যাগৰ কথা শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে বড়োফাৰ নামত আজি দেশৰ ৰাজধানীত পথ নামকৰণ কৰা কাৰ্যই জনগোষ্ঠীয় লোকসকলৰ বাবে এটা শক্তিশালী বাৰ্তা বহন কৰিব। এসময়ত হত্যা-হিংসাৰে জৰ্জৰিত বড়োভূমিত সম্প্ৰতি শান্তি বিৰাজ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক ধন্যবাদ জ্ঞাপন কৰে। বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু দিল্লীৰ মেয়ৰ ৰাজা ইকবাল সিং অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত আছে।

০০০০০০০

মুম্বাইত আয়োজিত প্ৰথম বিশ্ব দৃশ্য-শ্ৰাব্য মনোৰঞ্জন সন্মিলন, ৱেভছত কালি উত্তৰ-পূব ভাৰতত চিনেমাৰ প্ৰত্যাহ্বান আৰু সম্ভাৱনা শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। এই আলোচনাচক্ৰত জাহ্নু বৰুৱা, যতীন বৰা, ৰবি শৰ্মা, আইমী বৰুৱা, হাওবাম পৱন কুমাৰ আৰু ডমিনিক চাংমাকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ চলচ্চিত্ৰ জগতৰ কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ৱেভছ সন্মিলনৰ বাকৰিৰ পৰা এয়া ভাৰতীয় তথ্য সেৱাৰ বিষয়া শান্তনু বৌমূৰীয়া –

(বাইট)

আলোচনাত অঞ্চলটোত চলচ্চিত্ৰ নিৰ্মাণৰ সময়ত নিৰ্মাতাসকলে সন্মুখীন হোৱা আন্তঃগাঁথনিৰ অভাৱ, ভাষা আৰু বজাৰৰ সীমাবদ্ধতাৰ লগতে প্ৰাতিষ্ঠানিক সমৰ্থনৰ অভাৱৰ দৰে বিষয়সমূহ আলোচনা কৰা হয়। আলোচকসকলে এনে ধৰণৰ অসুবিধাৰ মাজতে চিত্ৰ নিৰ্মাতাসকলে উদ্ভাৱন আৰু সৃষ্টিশীলতাৰ মাজেৰে আঞ্চলিক কাহিনীসমূহ কোৱাত সফলতা প্ৰদৰ্শন

কৰিছে বুলি মত প্ৰকাশ কৰে। প্ৰবীণ চলচ্চিত্ৰ নিৰ্মাতা জাহ্নু বৰুৱাই উত্তৰ-পূৰ্বাঞ্চল প্ৰতিভাৰ আকৰ বুলি মন্তব্য কৰি অঞ্চলটোৰ চহকী সংস্কৃতিক চিনেমাত প্ৰতিফলিত কৰাত চলচ্চিত্ৰ নিৰ্মাতাসকল সফল হৈছে বুলি কয়। অভিনেতা যতীন বৰাই ভাষাৰ সীমাবদ্ধতাৰ খাতিৰত আঞ্চলিক সীমাৰ বাহিৰত উত্তৰ-পূবৰ ছবিৰ সীমিত প্ৰসাৰ আৰু বিতৰণৰ ওপৰত আলোকপাত কৰে। ডিজিটেল বিতৰণৰ প্ৰয়োজনীয়তা সন্দৰ্ভতো শ্ৰী বৰাই গুৰুত্ব আৰোপ কৰে। তেওঁ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়কে আঞ্চলিক চলচ্চিত্ৰৰ কাৰণে সুবিধাজনক পৰিৱেশ তন্ত্ৰৰ সৃষ্টিত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। অঞ্চলটোৰ অন্য এজন অভিনেতা ৰবি শৰ্মাই আন্তঃগাঁথনিগত বিনিয়োগৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত কৰে। চলচ্চিত্ৰ নিৰ্মাতা হাওবাম পৱন কুমাৰ আৰু ডমিনিক চাংমাইও আনুষ্ঠানিক সমৰ্থনৰ বিষয়ে আলোচনা কৰি ব্যক্তি পৰ্যায়ত স্বতন্ত্ৰভাৱে কাম কৰি থকা চলচ্চিত্ৰ নিৰ্মাতাসকলৰ বিষয়ে অৱগত কৰে। অভিনেতা পৰিচালক আইমী বৰুৱাই ভাষিক বৈচিত্ৰ ৰক্ষাৰ ক্ষেত্ৰত চিনেমাই পালন কৰা তাৎপৰ্যপূৰ্ণ ভূমিকাৰ বিষয়ে অৱগত কৰি কয়, যে আমাৰ ভাষাসমূহে শতিকাজুৰি মৌখিক ইতিহাস কঢ়িয়াই লৈ ফুৰিছে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰা চাৰিদিনীয়া এই সন্মিলনত এশৰো অধিক দেশৰ কলা-কুশলী, উদ্ভাৱক, বিনিয়োগকাৰী আৰু নীতি নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিছে। সৃষ্টিশীলতাক গতি প্ৰদান কৰা তথা প্ৰযুক্তি আৰু প্ৰতিভাৰ দ্বাৰা উন্নত ভৱিষ্যত গঢ় দিয়াৰ বাবে চিনেমা, অ'টিটি, গেমিং, ডিজিটেল মিডিয়া, কৃত্ৰিম বুদ্ধিমত্তা, সম্প্ৰচাৰণ আৰু নতুন প্ৰযুক্তিক একত্ৰিত কৰি ভাৰতৰ সংবাদ মাধ্যম আৰু মনোৰঞ্জন উদ্যোগক বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰাৰ বাবে এই সন্মিলনৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। দেশৰ বিভিন্ন প্ৰান্তৰ কলা-কুশলীসকলৰ লগতে অসমৰো কেইবাগৰাকী ব্যক্তিয়ে এই শীৰ্ষ সন্মিলনত অংশ লৈছে। মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই অসম চৰকাৰৰ প্ৰতিনিধি হিচাপে এই অনুষ্ঠানত ভাগ লৈছে। ইপিনে, ৱেভছৰ অধীনত আয়োজন কৰা ইলেক্ট্ৰনিক নৃত্য সংগীত প্ৰতিযোগিতাৰ ১০ গৰাকী শীৰ্ষ প্ৰতিযোগীৰ তালিকাত অসমৰ তিনিগৰাকী শিল্পীয়ে স্থান লাভ কৰিছে। বঙাইগাঁৱৰ দিব্যজ্যোতি ৰায়, গুৱাহাটীৰ আদিত উপাধ্যায় আৰু লখিমপুৰৰ নৱজ্যোতি বৰুৱাই সন্মিলনখনৰ চূড়ান্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব।

0000000

দুলীয়াজানৰ নগাজান তৈলক্ষেত্ৰৰ কঠালগুৰিত কালি বিয়লি অইল ইণ্ডিয়া লিমিটেডৰ ৩০৯ নম্বৰ খাদত গেছ নিৰ্গমন হয়। খাদটোৰ এটা ভাল্‌ভ ফাটি যোৱাৰ বাবে কেইবা মিটাৰ উচ্চতালৈ গেছৰ নিৰ্গমন ঘটে। অইলৰ সূত্ৰই গেছৰ সৈতে নিৰ্গত বালিৰ প্ৰচণ্ড হেঁচাৰ ফলত এই ঘটনা সংঘটিত হোৱা বুলি প্ৰকাশ কৰিছে। অঞ্চলটোত অগ্নিনিৰ্বাপক বাহিনীকে ধৰি নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি অঞ্চলটোৰ পৰিস্থিতিৰ বুজ লয় আৰু গেছ নিৰ্গমন বন্ধ কৰাৰ বাবে ততালিকে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিষয়াসকলৰ প্ৰতি আহ্বান জনায়।

000000

অসমত আবৃত্তিৰ ধাৰা শীৰ্ষক শৃংখলাৰ দ্বিতীয়টো দৃষ্টিপাত কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট গীতিকাৰ, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা জয়পুৰৰ ছৱাই মানছিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ৰাজস্থান ৰয়েলছক ১০০ ৰানত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ২১৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰাজস্থানৰ হৈ জোফ্ৰা আৰ্চাৰে সৰ্বাধিক ৩০ ৰান কৰে। মুম্বাইৰ ট্ৰেণ্ট বোল্ট আৰু কৰম শৰ্মাই তিনিটাকৈ উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে প্ৰথম বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেটৰ বিনিময়ত ২১৭ ৰান কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ ৰয়ান ৰিকেল্টনে সৰ্বাধিক ৬১ ৰান কৰে। ৰাজস্থানৰ মহিষ তিক্ষ্না আৰু ৰিয়ান পৰাগে এটাকৈ উইকেট দখল কৰে। ৰয়ান ৰিকেল্টনক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ ছানৰাইৰাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দ্বাৰা মুম্বাইত ৱেভছ সন্মিলনৰ উদ্বোধন, ৰাজ্যজুৰি মে' দিৱস পালন, আজি উজনি-উত্তৰ অসম-বৰাকত পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আদি বাতৰি গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ পোৱা পৰিলক্ষিত হৈছে।

পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণস্থলীত হত্যাকাৰীয়ে এৰি যোৱা চীনা সামগ্ৰীৰ পৰা পেহেলগাম কাণ্ডত চীনে পাকিস্তানক সহায় কৰা সুনিৰ্দিষ্ট প্ৰমাণ পোৱাৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে পেহেলগাম গণহত্যাকাণ্ডৰ আঁৰত চীন শিৰোনামেৰে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে পেহেলগাম কাণ্ডক কেন্দ্ৰ কৰি ভাৰত-পাকিস্তানৰ মাজত সৃষ্টি হোৱা উত্তেজনাৰ মাজতে দেশৰ নিৰাপত্তা সংস্থাসমূহে বাংলাদেশৰ পৰাও সন্ত্ৰাসবাদী আক্ৰমণৰ আশংকা কৰাৰ বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

আমাৰ অসম কাকতে ৰাজ্যৰ ১৪খন জিলাক সামৰি আজি প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ বাতৰিক আজি প্ৰথম পৰ্যায়ৰ ভোট - পঞ্চায়ত প্ৰচাৰত বিতৰ্কৰ ধুমুহা অব্যাহত শিৰোনামেৰে প্ৰকাশ কৰিছে।

নতুন দিল্লীত কালি বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তি উন্মোচন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দিয়া ভাষণৰ আঁত ধৰি নিয়মীয়া বাৰ্তা কাকতে পেহেনগামৰ আক্ৰমণত জড়িতক সকিয়নী অমিত শ্বাহৰ, সন্ত্ৰাসবাদীক উপযুক্ত শাস্তি দিয়াটো নিশ্চিত শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক জনমভূমি কাকতে জেৰুজালেমৰ পৰা তেল আভিভলৈ ইজৰাইলৰ অংশ ভয়ংকৰ বনজুইৰ কবলত পৰাৰ বাতৰি আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে।

সমগ্ৰ দেশত ২৮ শতাংশ নিৰ্বাচিত মহিলা জনপ্ৰতিনিধিৰ বিৰুদ্ধে বিভিন্ন অপৰাধজনিত পঞ্জীয়নভুক্ত গোচৰ থকাৰ বাতৰি অসমীয়া খবৰ কাকতে পুৰুষৰ সমানে সমানে দেশৰ ১৪৩ মহিলা সাংসদ বিধায়িকাৰ বিৰুদ্ধে অপৰাধমূলক গোচৰ শিৰোনামেৰে এংকৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে পাকিস্তানী বিমানৰ বাবে ভাৰতৰ আকাশমাৰ্গ নিষিদ্ধ ঘোষণা কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে আট্টাৰি-ৱাঘা সীমান্ত সম্পূৰ্ণৰূপে কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। দ্য ছেণ্টিনেল কাকতে নতুন দিল্লীত বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তি উন্মোচনৰ বাতৰি আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে। আমেৰিকাই ভাৰত আৰু পাকিস্তানক শান্তিৰ বাবে কাম কৰিবলৈ আহ্বান জনোৱাৰ বাতৰিক দি টাইমছ অব ইণ্ডিয়া কাকতে US nudges India to work with Pak to de-escalate tension শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ দশমিক ৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২১ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। ৰাজ্যকেইখনত প্ৰতিঘণ্টাত ৪০ৰ পৰা ৫০ কিলোমিটাৰ বেগেৰে বতাহ বলিব পাৰে বুলিও বতৰ বিজ্ঞান বিভাগে সকিয়াই দিছে।

০০০০০০০

**সমাপ্ত**